AMAZING FACTS
India

# ভাববাণীৰ এক সম্পূৰ্ণ দৃশ্য

## জীৱন পৰিবৰ্ত্তন কৰা এটা বাইবেল অধ্যয়ণ!

## মৃত্যুজনক চিন বা ছাব

আদিপুস্তক ৪:১-১৫

## কাহিনী...



**আদম** আৰু হাৱাৰ প্ৰথম পুত্ৰ দুজন, সিহতৰ ব্যক্তিত্ব আৰু আচাৰ-ব্যৱহাৰত বিশাল পাৰ্থক্য আছিল। কয়িনৰ খেতি আৰু নিৰ্ম্মান কৰাত ধাঁউতি আছিল, আনহাতে হেবলে তেওঁৰ মেৰৰ জাকটোৰ সৈতে পাহাৰ আৰু সমান চৰণীয়া পথাৰবোৰত ফুৰিবলৈ ভাল পাইছিল।

আদম আৰু হাৱাৰ অবাধ্যতাৰ কাৰনে এই নতুন পৃথিবীখনত পাপ প্ৰৱেশ কৰাৰ পাছত, ঈশ্বৰে জন্তু বলি-দিয়াৰ এটা প্ৰথা প্ৰতিষ্ঠা কৰিছিল আৰু সবিশেষ ব্যাখ্যা কৰি দিছিল যে তেজ উলিওৱা নহলে পাপ, মোচন নহয় (ইব্ৰী ৯:২২)। তেওঁ সিহঁতক কৈছিল যে এইবোৰ বলি-দিয়া প্ৰথাই সেই সময়টিলৈ আঙুলিয়াই দেখুৱাই যি সময়ত যীচু এজন মানৱ হব আৰু জগতৰ পাপৰ নিমিত্তে ঈশ্বৰৰ মেৰ পোৱালি হিচাপে হত হব। হেবলে বিশ্বাসেৰে নিজৰ পাপৰ নিমিত্তে এটা বলি হিচাপে এটা মেৰ পোৱালি আনিছিল, কিন্তু কয়িনে ভাবিছিল ঈশ্বৰৰ আদেশ ইমান আখৰে আখৰে পালন কৰাৰ কোনো প্ৰয়োজন নাই। সি বলিৰ প্ৰথাটোক এটা ধৰা-বন্ধা নিয়ম নহয় বুলি বিবেচনা কৰিছিল আৰু কাৰন দৰ্শাইছিল যে যেতিয়ালৈকে সি দান-উপহাৰ আনি থাকিব আৰু ঈশ্বৰক সেৱা উপসনা কৰিব, কি দৰে উপসনা কৰে বা কি দিয়ে নিদিয়ে সেইবোৰৰ কোনো কথা নাই। গতিকে তাৰ খেতি পথাৰত উতপাদন হোৱা- সি নিজে কাম কৰি উলিওৱা শষ্যৰ পৰা এটা উপহাৰ আনিছিল। যেতিয়া স্বৰ্গৰ পৰা অগ্নি নামি আহি হেবলৰ বলি গ্ৰহন কৰি দগ্ধ কৰিছিল আৰু আনফালে তাৰ উপহাৰক স্পৰ্শ নকৰাকৈয়ে এৰি থৈ গৈছিল, কয়িনে তেতিয়া ঈৰ্ষা হিংসা আৰু ক্ৰোদ্ধেৰে সকলোবোৰ চাই আছিল।ঈশ্বৰ যিহোৱাই মৰমেৰে নিজকে নম্ৰ আৰু বাধ্য হবলৈ কয়িনক টানি অনুৰোধ কৰিছিল, কিন্তু কয়িন আকোৰগোঁজ হৈ নিজৰ বিদ্ৰোহী ভাৱতে অটল হৈ আছিল। হেবলো নিজৰ জেষ্ঠ ভাতৃৰ সৈতে এই বিষয়ত আলোচনা কৰিবলৈ চেষ্টা কৰিছিল, কিন্তু কয়িন বেছিকৈ ক্ৰোদ্ধিতহে হৈছিল। যেতিয়া হেবলৰ ৰক্তাক্ত শৰীৰটো তেতিয়াও তাৰ ভৰিত পৰি আছিল, তেতিয়াহে তাৰ চেতনা ঘুৰি আহিছিল। ঈশ্বৰ যিহোৱাই কয়িনৰ ওপৰত এটা অভিশাপ দিছিল, আৰু যেতিয়া কয়িনে ইয়াৰ ওপৰত প্ৰতিবাদ কৰিছিল, তেতিয়া ঈশ্বৰ যিহোৱাই তাৰ ওপৰত এটা চিন দিছিল যাতে এই সৰ্ব্ব প্ৰথম নৰহত্যাৰ নিমিত্তে ভৱিষ্যতৰ প্ৰজন্মই প্ৰতিশোধ লব নোৱাৰে।

প্ৰকাশিতবাক্য পুস্তকখনে আমালোকক কৈছে যে, অন্তিম দিনবিলাকত কেনেকৈ আৰু কেতিয়া কোনটো দিনত উপসনা কৰিব লাগে সেই বিষয়টো লৈ খ্ৰীষ্টিয়ান বিলাকৰ মাজত এখন যুদ্ধ আকৌ এবাৰ হব। অতি শীঘ্ৰেই প্ৰত্যেকজন ব্যক্তিয়েই হয় ঈশ্বৰৰ ছাব বা চিন নহয় সেই পশুৰ ছাব বা চিনৰ দ্বাৰাই চিনাক্ত হব।



পাঠ নং-২০

# অধ্যয়ন

*তলত দিয়া প্ৰতিটো বাইবেল পদ পঢ়ি খালী ঠাইবোৰ পুৰন কৰক।*

## ১. সাতটা উতপাতৰ সময়ত কোনবিলাকে সুৰক্ষিত হৈ থাকিব?

**প্ৰকাশিতবাক্য ৭:৩** *আমি নিজ ঈশ্বৰৰ দাসবিলাকৰ* ______________________ ______________________ *নামাৰোঁমানে, তোমালোকে পৃথিবী,বা সাগৰ, বা গছবোৰক হিংসা নকৰিবা।*

টোকা: যিবিলাকে তেওঁবিলাকৰ কপালত ঈশ্বৰৰ ছাব বা চিন বা মোহৰ লাভ কৰিব তেওঁবিলাকে উতপাতৰ সময়ত সুৰক্ষিত হৈ ৰব (গীতমালা ৯১:৭-১১)।

## ২. ধাৰ্ম্মিকবিলাকে তেওঁবিলাকৰ কপালত লাভ কৰা এই ছাবটো কি বাৰু?

**যিচয়া ৮:১৬** *তুমি সাক্ষ্যৰ কথাখিনি বন্ধ কৰা, মোৰ শিষ্যবিলাকৰ অন্তৰত* ______________________ *(বিধান) মোহৰ (ছাব) মাৰি থোৱা।*

টোকা: ঈশ্বৰৰ ছাব বা ছীল বা মোহৰ টোক তেওঁৰ বিধানত বিচাৰি পোৱা যায়। এটা ছাব বা মোহৰ হৈছে সেইটো যি এখন দলিলক ক্ষমতাপন্ন বা চৰকাৰী কৰে আৰু স্বাভাৱিকতে ইয়াত তিনিটা বিশেষ গুণাগুণ বা বৈশিষ্ট থাকে: নাম, কাৰ্য্যলয় আৰু ৰাজ্য বা প্ৰদেশ। উদাহৰণ স্বৰূপে ইজ্ৰা ১:১ পদত পোৱা পাৰস্যৰ কোৰচ ৰজা।

## ৩. দহ আজ্ঞাৰ কোনটো আজ্ঞাত এটা মোহৰত থাকিবলগীয়া এই বিশেষ তিনিটা গুণাগুণ আছে?

**যাত্ৰাপুস্তক ২০:১১** *কিয়নো* ______________________ *আকাশ-মন্ডল, পৃথিবী, সমুদ্ৰ, আৰু সেইবোৰত থকা সকলোকে ছদিনে* ______________________ *কৰি, সপ্তম দিনা বিশ্ৰাম* ______________________ *।*

টোকা: চতুৰ্থ আজ্ঞাটোৱেই হৈছে একমাত্ৰ আজ্ঞা যত এটা মোহৰৰ আটাইকেইটা গুণাগুণ আছে: (১) "ঈশ্বৰ যিহোৱা"—তেওঁৰ নাম, (২) "নিৰ্ম্মান কৰিলে"--- সৃষ্টিকৰ্ত্তা হিচাপে তেওঁৰ কাৰ্য্যলয়, (৩) "আকাশ-মন্ডল, পৃথিবী, সমুদ্ৰ আৰু সেইবোৰত থকা সকলো"--- তেওঁৰ ৰাজ্য।

## ৪. ঈশ্বৰে তেওঁৰ ক্ষমতাৰ এটা বিশেষ চিন হিচাপে কি প্ৰদান কৰিছে?

**যিহিস্কেল ২০:১২** *ইয়াৰ বাহিৰে, মই যে তেওঁবিলাকক পবিত্ৰ কৰোঁতা যিহোৱা, তাক তেওঁবিলাকে জানিবৰ নিমিত্তে মোৰ আৰু তেওঁবিলাকৰ মাজত এটি* ______________________ *হবলৈ মোৰ বিশ্ৰাম-দিনবোৰ তেওঁবিলাকক দিলোঁ।*

**যিহিস্কেল ২০:২০** *আৰু তোমালোকে মোৰ* ______________________ *পবিত্ৰ কৰা; তাতে মই যে তোমালোকৰ ঈশ্বৰ যিহোৱা, তাক তোমালোকে জানিবৰ নিমিত্তে মোৰ আৰু তোমালোকৰ মাজত এইবোৰেই এটি* ______________________ *হব।*

**যাত্ৰাপুস্তক ৩১:১৩** *তোমালোকে নিশ্চয়কৈ মোৰ বিশ্ৰাম-দিন পালন কৰিবা; কিয়নো, ময়েই যে তোমালোকৰ পবিত্ৰকাৰী যিহোৱা, ইয়াক যেন তোমালোকে জানিব পাৰা, এই নিমিত্তে তোমালোকৰ পুৰুষানুক্ৰমে মোৰ আৰু তোমালোকৰ মাজত এয়ে এক ____________________ হব। কেজিভি।*

**টোকা:** সৃষ্টি আৰু পবিত্ৰ কৰিব পাৰা তেওঁৰ ক্ষমতাৰ এটা চিন হিচাপে ঈশ্বৰে স্পষ্টকৈ প্ৰকাশ কৰিছে যে তেওঁ বিশ্ৰাম-দিন প্ৰদান কৰিছিল। এইটো হৈছে তেওঁৰ ক্ষমতা, একতিয়াৰৰ এটা মোহৰ, বা চিন। "মোহৰ", "চিন", "ছাব", আৰু "চিহ্ন" ইত্যাদি শব্দবোৰক গোটেইখন বাইবলতে সালসলনিকৈ ব্যৱহাৰ কৰা হৈছে (আদিপুস্তক ১৭:১১ পদটোক ৰোমীয়া ৪:১১ পদৰ সৈতে আৰু প্ৰকাশিতবাক্য ৭:৩ পদটোক যিহিস্কেল ৯:৪ পদৰ সৈতে তুলনা কৰক)।

## ৫. প্ৰকাশিতবাক্য ১৩ অধ্যায়ৰ দ্বিতীয় পশুটোৱে কি গ্ৰহন কৰিবলৈ সকলোকে বলপ্ৰয়োগ কৰিছে?

**প্ৰকাশিতবাক্য ১৩:১৬** *তাতে সৰু আৰু বৰ, ধনী আৰু দৰিদ্ৰ, স্বাধীন আৰু দাস, এই সকলোৰে সোঁ হাতত বা ____________________ ____________________ মাৰিলে।*

## ৬. পশুৰ ছাবটো কি?

**টোকা:** পাঠ নং-১৯ ত আমি প্ৰকাশিতবাক্য ১৩ অধ্যায়ৰ প্ৰথম পশুটোক চিনাক্ত কৰিলো। ইয়াৰ ক্ষমতা আৰু একতিয়াৰৰ চিন কি বাৰু? ইয়াৰ একতিয়াৰৰ চিনটোক আৱিস্কাৰ কৰিবলৈ আটাইতকৈ উত্তম উপায়টো হৈছে এই বিষয়ে খুদ পোপীয়তাকে পোনপটীয়াকৈ সোধা। এখন কেটেকেজিমৰ পৰা দিয়া তলত দিয়া উদ্ধৃতি কেইটালৈ মন কৰকঃ

*প্ৰশ্নঃ- কোনটো দিন বিশ্ৰাম-দিন?*

উত্তৰঃ- শনিবাৰ দিনটোৱেই বিশ্ৰাম-দিন।

*প্ৰশ্নঃ- আমি কিয় শনিবাৰৰ পৰিবৰ্ত্তে দেওবাৰে পালন কৰোঁ?*

উত্তৰঃ- আমি শনিবাৰৰ পৰিবৰ্ত্তে দেওবাৰে পালন কৰোঁ কিয়নো কেথলিক মন্ডলিয়ে সেৰা ধৰ্ম্মকাৰ্য্যক শনিবাৰৰ পৰা দেওবাৰলৈ স্হানান্তৰিত কৰিলে" [Peter Geirmann, The Converts Catecheism of Catholic Doctrine (St. Luis: B.Herder Book Co., 1957 edition), p.50]
এখন কেটেকিজিমৰ পৰা তলত আন এটা উদ্ধৃতি দিয়া হলঃ

*প্ৰশ্নঃ- প্ৰমান কৰিবলৈ আপোনাৰ আন আৰু কিবা উপায় আছে নেকি যে উতসৱ, পৰ্ব্বৰ বিধান স্হাপন কৰিবলৈ মন্ডলিটোৰ ক্ষমতা আছে?*

উত্তৰঃ-তাইৰ তেনেকুৱা ক্ষমতা নথকাহেতেন, তাই সেই কামতো কৰিব নোৱাৰিলেহেতেন যিটোত সকলো আধুনিক ধৰ্ম্মতত্ত্ববিদ সকলে তাইৰ সৈতে একমত-তাই সপ্তম দিন শনিবাৰে পালন কৰাৰ পৰিবৰ্ত্তে, সপ্তাহৰ প্ৰথম দিন দেওবাৰে পালন কৰা বদলিকৰণটোক কৰিব নোৱাৰিলেহেতেন, যি বদলিকৰণত শাস্ত্ৰবাক্যই কোনো একতিয়াৰ দিয়া নাই। [Stephen Keenan, A Doctrinal Catechism (New York: P.J.Kenedy & Sons, third American edition, n.d.) p.174]

## ৭. সেই পশুৰ ছাবেই হওক বা ঈশ্বৰৰ ছাবেই হওক, এইবোৰ ছাব দৃশ্যমান নে?

**ইব্ৰী ১০:১৬** *প্ৰভুৱে কৈছেঃ তেওঁবিলাকৰ ____________________ মোৰ বিধান দিম, আৰু তেওঁবিলাকৰ ____________________ তাক লিখিম।*

**উপদেশক ৯:১০** *যি যি কাৰ্য্য তোমাৰ ____________________ পৰে, তাক যত্নেৰে কৰিবা।*

**যাত্ৰাপুস্তক ১৩:৯** *আৰু যিহোৱাৰ ব্যৱস্হা (বিধান) যেন তোমাৰ মুখত থাকিব, এই নিমিত্তে, এয়ে ____________________ তোমাৰ হাতত, আৰু ____________________ উপায়স্বৰূপে তোমাৰ দুই চকুৰ মাজত থাকিব।*

**যিচয়া ৫৯:৬, ৭** *সিবিলাকৰ কাৰ্য্য অধৰ্ম্মৰ কাৰ্য্য, আৰু সিবিলাকে নিজ নিজ ____________________ অত্যাচাৰ কৰে ... সিবিলাকৰ ____________________ অধৰ্ম্মৰ কল্পনাহে; সিবিলাকৰ পথত ধ্বংশ আৰু উচ্ছন্নতা আছে।*

টোকা: পশুৰ ছাবেই হওক বা ঈশ্বৰৰ ছাবেই হওক কোনোটোৱেই বাহিৰৰ ফালৰ পৰা দৃশ্যমান নহয়। কপালে মনটোক বুজায়, আৰু হাতে ক্ৰিয়াক বুজায়। “হাতত” আৰু “দুই চকুৰ মাজত” এই খন্ড বাক্য দুটা, এজন ব্যক্তিৰ মনৰ ভাৰ আৰু ক্ৰিয়া বা কৰ্ম্মকান্ডক বুজাবলৈ শাস্ত্ৰবাক্যত সঘনাই ব্যৱহাৰ কৰা প্ৰতীক (যাত্ৰাপুস্তক ১৩:১৬; দ্বিতীয় বিৱৰণ ৬:৮; ১১:১৮)। বাইবেলৰ সত্যতা থকা স্বত্তেও দেওবাৰ দিনটোক এটা পবিত্ৰ দিন বুলি বিশ্বাস কৰিবলৈ মনোনীত কৰি লোৱাৰ দ্বাৰাই এজন ব্যক্তিয়ে তেওঁৰ কপালত সেই পশুটোৰ ছাব লাভ কৰিব। ঈশ্বৰৰ বিশ্ৰাম-দিনটোত কাম কৰাৰ দ্বাৰাই বা সুবিধাজনক স্হিতি যেনে চাকৰি, পৰিয়াল কেন্দ্ৰিক সমস্যা ইত্যাদিৰ কাৰনে ওপৰুৱাকৈ হলেও দেৱবৰীয়া আইন পালন কৰাৰ দ্বাৰাই এজন ব্যক্তিয়ে তেওঁৰ হাতত ছাব লাভ কৰিব। এই মোহৰ বা ছাবটো যদিও মানুৰ চকুত অদৃশ্যমান, ঈশ্বৰে জানিব কাৰ গাত কি ছাব আছে (২য় তীমথিয় ২:১৯)। অন্য অৰ্থত কবলৈ হলে, প্ৰতিজন ব্যক্তিয়েই নিজেই নিজৰ ছাবটো দি লব। যদি মই ঈশ্বৰৰ পবিত্ৰ বিশ্ৰাম-দিনটোৰ প্ৰতি মান-সন্মান আৰু শ্ৰদ্ধা-ভক্তি কৰোঁ, তেওঁ মোক তেওঁৰ নিজৰ বুলি মোহৰ মাৰি লব। যদি মই পশুৰ সেই নকল মিছা বিশ্ৰাম-দিনটোক শ্ৰদ্ধা-ভক্তি কৰোঁ, তেওঁ মোক সেই পশুটোৰহে বুলি মোহৰ মাৰিব।

## ৮. আমি তেওঁৰ দাস-দাসী হওঁ নে নহওঁ তাক যীচুৱে কেনেকৈ নিৰ্ধাৰণ কৰে?

**ৰোমান ৬:১৬** *মৃত্যুৰ কাৰনে পাপৰ, নাইবা ধাৰ্ম্মিকতাৰ নিমিত্তে আজ্ঞা পালনৰ, এই উভয়ৰ যিটোত তোমালোকে নিজক আজ্ঞা পালনৰ অৰ্থে দাসস্বৰূপে সমৰ্পণ কৰা, সেইটোৰ আজ্ঞা ____________________ কৰি যে তাৰ দাস হোৱা, ইয়াক তোমালোকে নাজানা নে।*

**যোহন ১৪:১৫** *তোমালোকে যদি মোক প্ৰেম কৰা, তেন্তে মোৰ আজ্ঞাবোৰ ____________________ কৰিবা।*

## ৯. এতিয়া কাৰোবাৰ গাত পশুৰ ছাব বা মোহৰটো আছে নেকি?

**প্ৰকাশিতবাক্য ১৩:১৭** *আৰু সেই ছাব, অৰ্থাত সেই পশুৰ নাম বা তাৰ নামৰ নম্বৰ যাৰ নাই, তাক এনে কৰিলে যে, তেওঁ ____________________ আৰু কৰিব ____________________ ।*

**টোকা:** কোনো ব্যক্তিৰ গাত এতিয়া সেই ছাব নাই। ই যেতিয়া এটা বলপূৰ্ব্বক কৰা বিষয়ত পৰিণত হব, তেতিয়া যিবিলাকে পশুৰ সেই ছাবটো লাভ কৰিব তেওঁবিলাকেহে মাত্ৰ কিনা বেচা কৰিব পাৰিব। এইটো সময়ত, যিবিলাকে ঈশ্বৰৰ পবিত্ৰ বিশ্ৰাম-দিন পালন কৰে তেওঁবিলাকে ইয়াক তেওঁবিলাকৰ জীৱনক মৃত্যুৰ দুৱাৰ দলিত থৈ পালন কৰিব লাগিব (প্ৰকাশিতবাক্য ১৩:১৫), আৰু যিবিলাকে তেওঁৰ পবিত্ৰ দিনটোক অপবিত্ৰ কৰিবলৈ মনোনীত কৰে আৰু ঈশ্বৰৰ বিধানতকৈ মানুহৰ নিয়ম নীতিবোৰক ওখ স্হান দিয়াৰ দ্বাৰাই চৰকাৰী নিয়মে সিহঁতৰ সমৰ্থন দিব, সিহঁত খ্ৰীষ্টাৰিৰ হল বুলি ছাব মাৰা হব। যিবিলাকে যীচু আৰু তেওঁৰ পবিত্ৰ দিনৰ প্ৰতি ৰাজভক্তি পৰায়ণ হৈ থাকিব, তেওঁবিলাক সকলোৱে যীচুৰ গৌৰৱময় ছাব লাভ কৰিব, আৰু এইদৰে তেওঁবিলাকক অনন্তকালৰ বাবে নিজৰ কৰি লব। যিবিলাকে নিৰপেক্ষ হৈ থাকিবলৈ যত্ন কৰিব, তেওঁবিলাককো খ্ৰীষ্টাৰিৰ বুলি গণ্য কৰা হব (মথি ১২:৩০)।

## ১০. খ্ৰীষ্টাৰিৰ ক্ষমতাই কি দুটা বিষয়ক সলনি কৰিবলৈ চেষ্টা কৰিব?

**দানিয়েল ৭:২৫** *নিৰূপিত* ______________________ *আৰু* ______________________ *(বিধান) সলনি কৰিবলৈ মন কৰিব।*

**টোকা:** দানিয়েল ৭ অধ্যায়ে খ্ৰীষ্টাৰিৰ ক্ষমতাৰ পুৰনি নিয়মৰ বিবৰণটোক দাঙি ধৰিছে। ই অতি স্পষ্টকৈ ভৱিষ্যবানী কৰিছে যে সেই পশুটোৱে ঈশ্বৰৰ বিধান আৰু সময় দুয়োটাকে সলনি কৰিবলৈ চেষ্টা চলাব। পোপীয়তাই ঈশ্বৰৰ বিধান সলনি কৰিবলৈ চেষ্টা কৰিছে: (১) মূৰ্ত্তিপূজা নিষেধ কৰে দ্বিতীয় আজ্ঞাটোক গুচাই পেলোৱাৰ দ্বাৰাই, (২) কোনটো দিননো বিশ্ৰাম-দিন তাক উল্লেখ কৰাৰ পৰা এৰাই চলিবলৈ চতুৰ্থ আজ্ঞাটোৰ ৯৪ শব্দৰ পৰা হ্ৰাস কৰি মাত্ৰ ৮টা শব্দ কৰি থোৱাৰ দ্বাৰাই, আৰু (৩) দহ নম্বৰ আজ্ঞাটোক দুটা আজ্ঞাত বিভক্ত কৰাৰ দ্বাৰাই। পোপীয়তাই ঈশ্বৰৰ সময়ক সলনি কৰিবলৈ চেষ্টা কৰিছিল: (১) সপ্তম দিনটোৰ পৰিবৰ্ত্তে সপ্তাহৰ প্ৰথম দিনটোক বিশ্ৰাম-দিন বুলি লোকসমুহক শিকোৱাৰ দ্বাৰাই আৰু (২) সূৰ্য্যাস্তৰ পৰিবৰ্ত্তে প্ৰতিটো দিন মাজ নিশাৰ পৰা আৰম্ভ হোৱা পৌত্তলিক ৰোমৰ প্ৰথা অনুকৰণ কৰাৰ দ্বাৰাই। বিশ্ৰাম-দিনৰ বাবে ঈশ্বৰে নিৰ্ধাৰণ কৰা সময় হৈছে শুক্ৰবাৰৰ গধূলিৰ পৰা শনিবাৰ গধূলিলৈকে (লেবীয়াপুস্তক ২৩>৩২)। কোনো মৰণশীল মানৱে ঈশ্বৰৰ পবিত্ৰ বিধান বা সময় সলনি কৰিবলৈ দুঃসাহস কৰা উচিত নহয় (মথি ৫:১৮)।

## ১১. ঈশ্বৰে তেওঁৰ অতীতৰ পুৰোহিত বা পাদ্ৰী সকলক কিহত জগৰীয়া কৰিছিল?

**মলাখী ২:৮, ৯** *তোমালোকে* ______________________ *(বিধানত) অনেকক উজুটি খুৱালা ... তোমালোকে মোৰ পথ নাৰাখি ব্যৱস্হাত* ______________________ *(পক্ষপাত কৰা) কাৰনে।*

**হোচেয়া ৪:৬** *জ্ঞানৰ অভাৱত মোৰ প্ৰজাবিলাক নষ্ট হল। হে পুৰোহিত, তুমি জ্ঞান অগ্ৰাহ্য কৰিলা, এই হেতুকে মইও তোমাক অগ্ৰাহ্য কৰিম, তাতে তুমি আৰু পুৰোহিত নহবা তুমি তোমাৰ ঈশ্বৰৰ* ______________________ ______________________*, এই কাৰনে মইও তোমাৰ সন্তানবিলাকক পাহৰিম।*

**টোকা:** ঈশ্বৰে এতিয়াও আঘাত পায় যেতিয়া তেওঁৰ পাদ্ৰীবিলাকে দহ-আজ্ঞাৰ আঠ বা নৌ নম্বৰ আজ্ঞাটোক পক্ষপাত কৰে আৰু বিশ্ৰাম-দিন পবিত্ৰভাৱে পালন কৰিবলৈ কোৱা তেওঁৰ আজ্ঞাটোত অনেকক উজুটি খুৱাই। প্ৰকাৰন্তেৰে সকলো মন্ডলিয়েই তেওঁবিলাকৰ অফিচৰ লিখনিবোৰত মানি লয় যে দেওবাৰৰ পবিত্ৰতাৰ ক্ষেত্ৰত শাস্ত্ৰবাক্যৰ কোনো সমৰ্থন নাই। অতি দুখজনকভাৱে প্ৰটেষ্টান্টানবাদ আৰু কেথলিকবাদ উভয়েই বাইবেল বিশ্ৰাম-দিনটোক দলিয়াই পেলাই দিয়াৰ নিমিত্তে ঈশ্বৰৰ বিচাৰৰ কাঠ-গড়ালত জগৰীয়া হৈ থিয় হৈ আছে! স্বয়ং ঈশ্বৰেই, তেওঁৰ সৃষ্টি কৰিব পৰা ক্ষমতাৰ আৰু পবিত্ৰ আৰু পৰিত্ৰাণ কৰিব পৰা তেওঁৰ ক্ষমতাৰ এটা চিন বা ছাব হিচাপে বিশ্ৰাম-দিন প্ৰদান কৰিছিল (যাত্ৰাপুস্তক ৩১:১৭; যিহিস্কেল ২০:১২)। স্বৰ্গৰ মহান ঈশ্বৰক আৰু তেওঁ কোন হয় তাক প্ৰতিনিধিত্ব কৰা এই পবিত্ৰ চিন বা ছাবটোক কোনোবাই বিকৃত বা গুচাই পেলাবলৈ মৰসাহ কৰিব নে?

## ১২. ঈশ্বৰৰ অতীতৰ লীডাৰ বিলাকে তেওঁৰ বিধানৰ মহান বিষয়বোৰৰ প্ৰতি কেনেকৈ শ্ৰদ্ধা ভক্তি দেখুৱাইছিল?

**হোচেয়া ৮:১২** *যদিও মই তাৰ নিমিত্তে দহ হাজাৰ কথা লিখোঁ, তথাপি সেইবোৰ ______________________ কথা বুলি গণ্য হব।*

**টোকা:** সময় সলনি নাই হোৱা। ঈশ্বৰে বিশ্ৰাম-দিনক, তেওঁৰ মহাৰ ছাবটোক তেওঁৰ বিধানৰ সোমাজতে স্হান দিছে আৰু সেই আজ্ঞাটিক "সোৱৰণ" শব্দটোৰে আৰম্ভ কৰিছে। তথাপিও আজি অনেক মানুহে অনুভৱ কৰে যে তেওঁৰ সপ্তম দিনীয়া বিশ্ৰাম-দিন পালন কৰাতো হেনো এটা নজনা-নুশুনা কথা।

## ১৩. ঈশ্বৰে ধৰ্ম্মীয় লীডাৰ সকলক তেওঁৰ পবিত্ৰ বিশ্ৰাম-দিনৰ সংক্ৰান্তত কিবা বিশেষ গুৰু-গম্ভীৰ তিৰস্কাৰ কৰিছিল নেকি?

**যিহিস্কেল ২২:৮** *তুমি মোৰ পবিত্ৰ বস্তুবোৰ ______________________ কৰিছা, আৰু মোৰ বিশ্ৰাম-দিনবোৰ অপবিত্ৰ কৰিছা।*

**যিহিস্কেল ২২:২৬** *তাৰ পুৰোহিতবোৰে মোৰ ব্যৱস্হাৰ বিপৰীতে অত্যাচাৰ কৰে, আৰু মোৰ পবিত্ৰ বস্তুবোৰ অপবিত্ৰ কৰে; সিহঁতে পবিত্ৰ আৰু সাধাৰণৰ মাজত ______________________ নাৰাখে, বা শুচি আৰু অশুচিৰ মাজত বিভিন্ন কৰিবলৈ মানুহক নিশিকায়; সিহঁতে মোৰ বিশ্ৰাম-দিনবোৰৰ পৰা সিহঁতৰ চকু ______________________, আৰু মই সিহঁতৰ মাজত অপবিত্ৰীকৃত ______________________ ।*

**টোকা:** যি ধৰ্ম্মীয় লীডাৰ বিলাকে বিশ্ৰাম-দিন পালন কৰা বা নকৰাতো ডাঙৰ বিষয় নহয় বুলি কয়, আৰু যেতিয়া সত্য নহয় ঈশ্বৰে এইদৰে কৈছে বুলি দাবী কৰে, তেওঁবিলাকক ঈশ্বৰ যিহোৱাই তীক্ষ্ণভাৱে তিৰস্কাৰ কৰিছে।

## ১৪. ঈশ্বৰে তেওঁৰ লীডাৰ সকলক প্ৰকাশ্যভাৱে নিন্দা কৰিবলৈ কি বিশেষ পাপৰ বিষয়ে কৈছে?

**যিচয়া ৫৮:১, ১৩, ১৪** *তুমি মুক্তকন্ঠে প্ৰচাৰ কৰা, ৰৈ নাথাকিবা; শিঙাৰ নিচিনাকৈ উচ্চ-ধ্বনি কৰা, মোৰ প্ৰজাবিলাকৰ আগত তেওঁবিলাকৰ অধৰ্ম্ম, আৰু যাকোবৰ বংশৰ আগত তেওঁবিলাকৰ পাপবোৰ ______________________ কৰা। যদি তুমি মোৰ পবিত্ৰ দিনা তোমাৰ ______________________ নকৰি, বিশ্ৰাম-দিনৰ পৰা তোমাৰ ভৰি আঁতৰোৱা, আৰু যদি বিশ্ৰাম-বাৰক ______________________ আৰু যিহোৱাৰ পবিত্ৰ দিনক মাননীয় বুলি কোৱা ... তেন্তে তুমি যিহোৱাত সুখী হবা।*

**টোকা:** ঈশ্বৰে আত্মিক লীডাৰ সকলক বিশ্ৰাম-দিন উলঙ্ঘন কৰাৰ বাবে দোষাৰোপ কৰিছে আৰু ইয়াক এটা পাপ বুলি কৈছে আৰু জোৰদি কৈছে যে তেওঁৰ লোকবিলাকে তেওঁৰ পবিত্ৰ দিনটোক পবিত্ৰভাৱে পালন কৰিব লাগে, যেনেকৈ অতীতৰ শিষ্যবিলাকে কৰিছিল, কিয়নো আমাৰ একমাত্ৰ নিৰাপত্তা আছে ঈশ্বৰৰ আজ্ঞা পালনত মানুহৰ নিয়ম পালন কৰাত নহয় (পাচনিকৰ্ম ৫:২৯)।

## ১৫. আপুনি যেতিয়া যীচুক গ্ৰহণ কৰিবলৈ সিদ্ধান্ত লয় আৰু সম্পূৰ্ণৰূপে তেওঁৰ অনুসৰণ কৰে, তেতিয়া কি ঘটে?

**মথি ১১:২৯** *এই হেতুকে তোমালোকৰ ওপৰত মোৰ যুৱলি লোৱা, আৰু মোৰ পৰা শিক্ষা লোৱা; তাতে তোমালোকে নিজৰ নিজৰ ____________________ ____________________ পাবা।*

**টোকা:** এনে পৰিবৰ্ত্তনত আপোনাৰ অন্তৰত গৌৰৱময় জিৰণি আৰু শান্তি প্ৰৱেশ কৰিব। বিশ্ৰাম-দিন, যাৰ অৰ্থ হৈছে "জিৰণি", ই হৈছে জিৰণি আৰু শান্তিৰ এটা প্ৰতীক যি নতুন জন্মৰ পৰা ওলাই আহে (ইব্ৰী ৪:১-১০)। যিবিলাকে সচাঁকৈয়ে নতুন জন্ম লাভ কৰে তেওঁবিলাকে জিৰণিৰ এটা আৰ্শীবাদপূৰ্ণ চিন হিচাপে বিশ্ৰাম-দিন পালন কৰিব (৪, ৯, ১০ পদ কেইটালৈ মন কৰিব)। ঈশ্বৰৰ বিশ্ৰাম-দিন পবিত্ৰভাৱে পালন কৰা এজন পৰিবৰ্ত্তিত ব্যক্তিলৈ যি আনন্দ শান্তি আছে তাৰ নিচিনা আনন্দ শান্তি আন এটা নাই।

# আপোনাৰ সহাৰি

*পশুৰ ছাবটোক আপুনি "নালাগে" বুলি কোৱাৰ আগতে, আপুনি ঈশ্বৰৰ ছাবটোক "লাগে" বুলি কব লাগিব। আপোনাৰ পৰা এটা উত্তৰ পাবলৈ আপোনাৰ হৃদয়ৰৰ দুৱাৰ দলিত যীচু অপেক্ষা কৰি আছে। আপোনাৰ সৃষ্টিকৰ্ত্তা আৰু ত্ৰাণকৰ্ত্তা হিচাপে তেওঁক গ্ৰহণ কৰাৰ প্ৰমান স্বৰূপে আপুনি তেওঁৰ গৌৰৱময় বিশ্ৰাম-দিনৰ ধ্বজাৰ তলত চলিবলৈ আপুনি এতিয়াই সিদ্ধান্ত লবনে?*

***উত্তৰ:*** ____________________

# সংযোজন

*এই খন্ডটিয়ে অতিৰিক্ত অধ্যয়নৰ বাবে অধিক তথ্যৰ যোগান ধৰিব।*

## পোপীয়তাই প্ৰটেষ্টান্ট সকলক কি গুৰুত্বপূৰ্ণ প্ৰশ্ন সুধিছে?

প্ৰটেষ্টান্ট সকলে পোপীয়তাক বাৰে বাৰে সুধিছে, "ঈশ্বৰৰ বিধান সলনি কৰিবলৈ আপোনালোকে কেনেকৈ মৰসাহ কৰিব পাৰিলে"? কিন্তু কেথলিক মন্ডলিৰ দ্বাৰাই সোধা যি প্ৰশ্নটোৱে প্ৰটেষ্টান্টবিলাকক বিচূৰ্ত্তি খুৱাইছিল সেইটো এনেকি ইয়াতকৈয়ো অধিক তীক্ষ্ণ, মৰ্মভেদী। এই বিষয়ে আমি তলত হুবুহুভাৱে তুলি দিলোঁ: "আপুনি মোক কব যে শনিবাৰ দিনটো যিহুদীবিলাকৰ বিশ্ৰাম-দিন আছিল, কিন্তু খ্ৰীষ্টানৰ বিশ্ৰাম-দিনটো দেওবাৰলৈ সলনি কৰা হল। সলনি কৰা হল! কিন্তু কাৰ দ্বাৰাই? সৰ্ব্বশক্তিমান ঈশ্বৰে প্ৰকাশ কৰা এটা আজ্ঞাক সলনি কৰাৰ ক্ষমতা কাৰ আছে? যেতিয়া ঈশ্বৰে এই বুলি কৈ কৈছিল, তুমি সপ্তমদিনা পবিত্ৰভাৱে বিশ্ৰাম-দিন পালন কৰিবা, তেনেস্হলত কোনে এইবুলি কবলৈ মৰসাহ কৰিব, নাই নাই, তুমি সপ্তমদিনা কাম কৰিব পাৰিবা আৰু জগতৰ সকলো প্ৰকাৰৰ ব্যৱসায় বাণিজ্য আটাইবোৰকে কৰা কিন্তু ইয়াৰ সলনি তুমি সপ্তাহৰ প্ৰথমদিনটোক পবিত্ৰভাৱে পালন কৰিবা? এইটো এটা অতিশয় গুৰুত্বপূৰ্ণ প্ৰশ্ন, যাৰ উত্তৰটোক আপুনি কেনেকৈ দিব তাক মই নাজানো। আপুনি এজন প্ৰটেষ্টান্ট, আৰু আপুনি বাইবেল আৰু একমাত্ৰ বাইবেলৰ দ্বাৰাই যাম বুলি ব্যক্ত কৰিছে; আৰু তথাপিও সাতটা দিনৰ এটাক, পবিত্ৰ দিন হিচাপে পালন কৰা বিষয়ৰ দৰে ইমান এটা গুৰুত্বপূৰ্ণ বিষয়ত, বাইবেলৰ সৰল বাক্যৰ বিৰুদ্ধে আপুনি গৈছে আৰু বাইবেলে আদেশ দিয়া সেই দিনটোৰ স্হানত আন এটা বেলেগ দিন বহুৱাই লৈছে। সপ্তমদিন পবিত্ৰভাৱে পালন কৰিবলৈ দিয়া আজ্ঞাটো দহ-আজ্ঞাৰ এটা আজ্ঞা হয়; আপুনি বিশ্বাস কৰে যে বাকী নটা আজ্ঞা এতিয়াও একেলগে বান্ধ খায় আছে; চতুৰ্থ আজ্ঞাটোক ইফাল সিফাল কৰিবলৈ কোনে আপোনাক ক্ষমতা দিছিল? যদি আপুনি আপোনাৰ নিজৰ নীতিত দৃঢ়কৈ খিয় হৈ আছে, যদি আপুনি সচাকৈয়ে বাইবেল আৰু মাত্ৰ বাইবেলে কোৱা ধৰনেৰেহে চলে, তেন্তে আপুনি নতুন নিয়মৰ পৰা কিছুমান অংশ উলিয়াবলৈ সক্ষম হোৱা উচিত যি অংশবোৰত এই চতুৰ্থ আজ্ঞাটোক পৰিবৰ্ত্তন কৰা হল বুলি প্ৰকাশ কৰিছে। [Library of Christian Doctrine: Why Don't You Keep Holy the Sabbath-Day? (London: Burns and Oates, Ltd,) pp,3, 4


©2024 Amazing Facts India
All Rights Reserved Printed in India
+91 916 916 4480 | AFTV.in
ভাৱবাণীৰ এক সম্পূৰ্ণ দৃশ্য
অধিক উত্থানশীল, জীৱন পৰিৱৰ্তনকাৰী সম্পদৰ বাবে পৰিদৰ্শন কৰক Bookstore.AFTV.in ASSAMESE